**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 05-07-2025
**Time :** 07-05 hrs

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::::**

১। ঘানা, ট্ৰিনিদাদ আৰু টবেগ' ভ্ৰমণ সামৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আজি আৰ্জেণ্টিনাৰ ৰাজধানী বুয়েনছ আয়াৰেছত উপস্থিত হ'ব।

২। ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত কাইলৈ আৰু পৰহিলৈ ব্ৰীকছ্ শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব।

৩। মণিপুৰ চৰকাৰে গোষ্ঠী সংঘৰ্ষৰ ফলত গৃহহীন হোৱা শৰণাৰ্থীসকলক পৰ্যায়ক্ৰমে নিজ নিজ গৃহলৈ ঘূৰাই পঠিওৱাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে।

৪। তিববতীয় ধৰ্মগুৰু দালাই লামাৰ উত্তৰসূৰী নিৰ্বাচন সম্পৰ্কত ভাৰতে কোনো স্থিতি গ্ৰহণ নকৰে বুলি স্পষ্ট কৰি দিছে। ***আৰু***

৫। এজবেষ্টন ক্ৰিকেট টেষ্টত ভাৰত তুলনামূলকভাৱে শক্তিশালী স্থিতিত উপনীত হৈছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ঘানা, ট্ৰিনিদাদ আৰু টবেগ' ভ্ৰমণ সামৰি আজি আৰ্জেণ্টিনাৰ ৰাজধানী বুয়েনছ আয়াৰেছত উপস্থিত হ'ব। গ্লোবেল ছাউথৰ সৈতে ভাৰতৰ সম্পৰ্ক অধিক সুদৃঢ় কৰাই প্ৰধানমন্ত্ৰী মোদীৰ এই পাঁচদেশীয় ভ্ৰমণৰ মূল লক্ষ্য। আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়াৰ মিলেইৰ আমন্ত্ৰণমৰ্মে দেশখন ভ্ৰমণলৈ যোৱা মোদীয়ে আজি প্ৰথম দিনা দেশখনৰ স্বাধীনতা সংগ্ৰামী তথা জাতীয় নায়ক জেনেৰেল জ'ছে ডি ছান মাৰ্টিনৰ প্ৰতিমূৰ্তিত শ্ৰদ্ধাঞ্জলি জনাব। এই অনুষ্ঠানৰ পাছতেই প্ৰধানমন্ত্ৰীগৰাকীক দেশখনলৈ আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হ'ব। ইয়াৰ পাছতেই শ্ৰীমোদীয়ে এখন প্ৰতিনিধি পৰ্যায়ৰ বৈঠকত মিলিত হ'ব। আৰ্জেণ্টিনাৰ ৰাষ্ট্ৰপতি জেভিয়াৰ্দ মিলেই আয়োজন কৰা দুপৰীয়াৰ আহাৰ গ্ৰহণ কৰাৰ পাছত প্ৰধানমন্ত্ৰী মোদীয়ে আইক'নিক ক্লাব ব'কা জুনিয়ৰ্ছ ফুটবল ষ্টেডিয়াম পৰিদৰ্শন কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ এই আৰ্জেণ্টিনা ভ্ৰমণে দেশ দুখনৰ মাজত কৌশলগত অংশীদাৰিত্বক অধিক শক্তিশালী কৰাৰ লগতে সহযোগিতাৰ নতুন পথ মুকলি কৰিব বুলি আশা কৰা হৈছে। বাণিজ্য আৰু বিনিয়োগ, স্বাস্থ্য আৰু ঔষধ, প্ৰতিৰক্ষা আৰু নিৰাপত্তা, আন্তঃগাঁথনি, খনি আৰু খনিজ সম্পদ, কৃষি আৰু খাদ্য সুৰক্ষা, সেউজ শক্তি, ডিজিটেল উদ্ভাৱন, দুৰ্যোগ ব্যৱস্থাপনা, বিজ্ঞান আৰু প্ৰযুক্তি, শিক্ষা, জনসংযোগ আদি ক্ষেত্ৰসমূহত সহযোগিতাৰ নতুন পথ মুকলি কৰিব বুলি আশা কৰা হৈছে। শ্ৰীমোদীয়ে আৰ্জেণ্টিনা ভ্ৰমণ কৰিছে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৬ আৰু ৭ জুলাইত ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত আয়োজিত ব্ৰীকছ্ শীৰ্ষ সন্মিলনত অংশগ্ৰহণ কৰিব। ব্ৰাজিল ভ্ৰমণকালত তেওঁ দেশখনৰ ব্ৰাচিলিয়াত ৰাষ্ট্ৰপতি লুইজ ইনাছিঅ' লুলা ডা ছিলভাৰ সৈতে বৈঠকত মিলিত হ'ব। প্ৰায় ৬ দশকৰ মূৰত দেশখন ভ্ৰমণলৈ যোৱা প্ৰধানমন্ত্ৰী মোদী হৈছে ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী। আকাশবাণীৰ সংবাদদাতাই জনোৱা মতে ব্ৰীকছ্ শীৰ্ষ সন্মিলনৰ অৱসৰত প্ৰধানমন্ত্ৰী মোদীয়ে কেইবাগৰাকীও বিশ্বনেতাৰ সৈতে মিলিত হ'ব। ব্ৰাজিল ভ্ৰমণকালত প্ৰধানমন্ত্ৰীয়ে সেই দেশৰ শীৰ্ষ উদ্যোগ আৰু ব্যৱসায়িক সংস্থাসমূহৰ প্ৰতিনিধিবৰ্গৰ সৈতেও মিলিত হ'ব।

উল্লেখযোগ্য যে উৎসৱ আৰু ফুটবল প্ৰেমীৰূপে পৰিচিত ৰিঅ' ডি জেনেৰিঅ'ত এইবাৰ সপ্তদশ ব্ৰীকছ্‌ শীৰ্ষ সন্মিলন অনুষ্ঠিত হ'ব। মিউজিয়াম অৱ মডাৰ্ন আৰ্টত অনুষ্ঠিত হ'বলগীয়া এই শীৰ্ষ সন্মিলনত মূল ১০ খন সদস্য ৰাষ্ট্ৰ- ব্ৰাজিল, ৰাছিয়া, ভাৰত, চীন, দক্ষিণ আফ্ৰিকা, ইজিপ্ত, ইথিওপিয়া, ইৰান, ছৌদি আৰৱ আৰু সংযুক্ত আৰৱ আমেৰি ৰাষ্ট্ৰৰ লগতে বলিভিয়া, কিউবা, কাজাখস্তান, উজবেকিস্তান, মালয়ছিয়া আৰু ভিয়েটনামে সহযোগী ৰাষ্ট্ৰ হিচাপে অংশগ্ৰহণ কৰিব। ব্ৰীকছত অন্তৰ্ভুক্ত দেশসমূহে বিশ্বৰ মুঠ ঘৰুৱা উৎপাদনৰ ৩৯ শতাংশ আৰু বিশ্ব বাণিজ্যৰ ২৩ শতাংশ স্থান অধিকাৰ কৰি আছে। ব্ৰীকছৰ দেশসমূহে বিশ্ব বাণিজ্যৰ ২৪ শতাংশ প্ৰত্যক্ষ বিদেশী বিনিয়োগ লাভ কৰিছে আৰু সদস্য ৰাষ্ট্ৰসমূহে বিশ্বৰ ৪৩ শতাংশ খাৰুৱা তেল উৎপাদন কৰে। ব্ৰাজিলৰ অধ্যক্ষতাৰ এইবাৰৰ এই শীৰ্ষ সন্মিলনত বিশ্বজনীন স্বাস্থ্য, বাণিজ্য, বিনিয়োগ আৰু বিত্ত ব্যৱস্থাপনা, জলবায়ু পৰিৱৰ্তন, কৃত্ৰিম বুদ্ধিমত্তা, সুশাসন, ভূপাক্ষিক শান্তি, সুস্থিৰতা আৰু নিৰাপত্তাক মূল বিষয়বস্তু ৰূপে আলোচনা কৰা হ'ব। পৰৱৰ্তী ব্ৰীকছ্‌ শীৰ্ষ সন্মিলনত ভাৰতে অধ্যক্ষতা কৰিব।

ooooo

ৰাষ্ট্ৰপতিৰ শাসনত থকা মণিপুৰ চৰকাৰে ৰাজ্যখনৰ থকা প্ৰায় ৩৫০টা আশ্ৰয় শিবিৰ বন্ধ কৰি দিয়াৰ কথা বিবেচনা কৰিছে। ৰাজ্যখনৰ মুখ্য সচিব পি কে সিঙে কালি ইম্ফলত সাংবাদিকৰ আগত এই কথা প্ৰকাশ কৰি কয়, যে ২০২৩ চনৰ পৰা ৰাজ্যখনত সংঘটিত গোষ্ঠীগত সংঘৰ্ষত গৃহহীন হোৱা লোকসকলৰ বাবে স্থাপন কৰা এই আশ্ৰয় শিবিৰসমূহত থকা লোকসকলক এই মাহৰ পৰাই তিনিটা পৰ্যায়ত বিকল্প স্থানত সংস্থাপিত কৰাৰ বাবে সিদ্ধান্ত লোৱা হৈছে। তেওঁ কয়, যে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ৰ সৈতে কৰা কেইবালানিও আলোচনাৰ অন্তত আশ্ৰয় শিবিৰসমূহ পৰ্যায়ক্ৰমে বন্ধ কৰাৰ সিদ্ধান্ত লোৱা হৈছে। আশ্ৰয় শিবিৰত থকা লোকৰ সংখ্যা ৬২ হাজাৰৰ পৰা ৫৭ হাজাৰলৈ হ্ৰাস পাইছে বুলি শ্ৰীসিঙে জানিবলৈ দিয়ে। চূড়াচান্দপুৰ, কাংপক্‌পি জিলাত থকা প্ৰায় ৮ হাজাৰ শৰণাৰ্থীসকলক প্ৰথম পৰ্যায়ত এই মাহৰ ভিতৰতে স্বগৃহলৈ ঘূৰাই পঠিওৱা হ'ব। প্ৰতিটো পৰিয়ালকে নিজ নিজ বাসগৃহ পুনৰ নিৰ্মাণৰ বাবে চৰকাৰে ৩ লাখ টকাকৈ আগবঢ়াব বুলিও মুখ্য সচিবগৰাকীয়ে প্ৰকাশ কৰে।

ইপিনে নিৰাপত্তা বাহিনীয়ে যোৱা ৩ জুলাইৰ নিশাৰ পৰা ৪ জুলাইৰ পুৱালৈকে মণিপুৰৰ বিভিন্ন স্থানত অভিযান চলাই বৃহৎ পৰিমাণৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে। মণিপুৰ আৰক্ষী, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনী, আছাম ৰাইফলছ আৰু সেনাবাহিনীয়ে টেন'পাল, কাংপক্‌পি, চাণ্ডেল আৰু চূড়াচান্দপুৰ জিলাত অভিযান চলাই ২০৩টা বিভিন্ন প্ৰকাৰৰ অস্ত্ৰ-শস্ত্ৰ উদ্ধাৰ কৰে। ইয়াৰে ভিতৰত ২১টা ইনচাছ ৰাইফল, ১১টা এ কে শ্ৰেণীৰ ৰাইফল, ২৬টা এছ এল আৰ, ২টা স্নাইপাৰ ৰাইফল, ১৭টা পইণ্ট থ্ৰী নট থ্ৰী ৰাইফল, দুটা ৫১ মিলিমিটাৰ মৰ্টাৰ আৰু ৩০টা আই ই ডিও আছে।

ooooo

অপাৰেচন সিন্দূৰ আৰু ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ভাৰত আৰু পাকিস্তানৰ মাজৰ সংঘৰ্ষৰ সময়ত চীনে পাকিস্তানক পৰীক্ষাগাৰ হিচাপে ব্যৱহাৰ কৰিছিল। স্থলসেনা বাহিনীৰ উপ-সেনাধ্যক্ষ ৰাহুল আৰ সিঙে কালি নতুন দিল্লীত ফিকিয়ে আয়োজন কৰা এখন সন্মিলনত অংশগ্ৰহণ কৰি এই কথা প্ৰকাশ কৰে। তেওঁ কয়, যে চাৰিদিনীয়া সংঘৰ্ষৰ সময়ত পাকিস্তানে চীনৰ পৰা ধাৰে লোৱা চুৰি ব্যৱহাৰৰ সদৃশ ঘটনা ঘটিছিল। যদিও এই সংঘৰ্ষত পাকিস্তান ভাৰতৰ প্ৰতিদ্বন্দ্বী আছিল তৎসত্বেও চীনে তেওঁলোকৰ বিভিন্ন যুদ্ধ সঁজুলিৰ কাৰ্যকৰিতা প্ৰমাণৰ বাবে এই সংঘৰ্ষক ব্যৱহাৰ কৰিছিল। তদুপৰি তুৰস্কয়ো পাকিস্তানক বহুক্ষেত্ৰত সহায় কৰিছিল।

০০০০০

তিববতীয় ধৰ্মগুৰু দালাই লামাৰ উত্তৰসূৰী নিৰ্বাচন সম্পৰ্কত ভাৰতে কোনো স্থিতি গ্ৰহণ নকৰে বুলি স্পষ্ট কৰি দিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰণধীৰ জয়ছোৱালে কালি নতুন দিল্লীত এই কথা প্ৰকাশ কৰি কয়, যে ভাৰতে কোনো ধৰ্মীয় পৰম্পৰা আৰু বিশ্বাসৰ ক্ষেত্ৰত কেতিয়াও হস্তক্ষেপ নকৰে। তেওঁ কয়, যে ভাৰতীয় সংবিধানে দিয়া ধৰ্মীয় স্বাধীনতাৰ অধিকাৰৰ প্ৰতি ভাৰত চৰকাৰ প্ৰতিশ্ৰুতিবদ্ধ। মুখপাত্ৰগৰাকীয়ে কয়, যে ধৰ্মগুৰু দালাই লামাৰ উত্তৰসূৰী সম্পৰ্কত বিভিন্ন মাধ্যমত ওলাই থকা কেতবোৰ বাতৰিৰ প্ৰতি ভাৰত চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। তেওঁ স্পষ্ট কৰি দিয়ে যে তিববতীয় বৌদ্ধ ধৰ্মীয় সংস্থাই এইক্ষেত্ৰত যি সিদ্ধান্ত গ্ৰহণ কৰিব, সেয়া তেওঁলোকৰ নিজস্ব সিদ্ধান্ত হ'ব।

০০০০০

এজবেষ্টন টেষ্টৰ তৃতীয় দিনৰ সামৰণিত ভাৰত তুলনামূলকভাৱে শক্তিশালী স্থিতিত উপনীত হৈছে। এণ্ডাৰছন-তেণ্ডুলকাৰ ট্ৰফীৰ বাবে অনুষ্ঠিত টেষ্ট মেচখনৰ কালি তৃতীয় দিনা ইংলেণ্ডে প্ৰথম ইনিংছত ৪০৭ ৰানত আটাইকেইটা উইকেট হেৰুওৱাত আলহী দলটোৱে প্ৰথম ইনিংছত ১৮০ ৰানৰ গুৰুত্বপূৰ্ণ অগ্ৰগতি লাভ কৰে। ভাৰতে দ্বিতীয় ইনিংছ আৰম্ভ কৰি দিনান্তত এক উইকেটৰ বিনিময়ত ৬৪ ৰান সংগ্ৰহ কৰে। খেলখনৰ দুটা দিন বাকী থকা অৱস্থাত দ্বিতীয় ইনিংছৰ ৯টা উইকেট বাকী থকা অৱস্থাত ভাৰত সামগ্ৰিকভাৱে ইংলেণ্ডতকৈ ২৪৪ ৰানত আগবাঢ়ি আছে। ইংলেণ্ডৰ প্ৰথম ইনিংছত দলটোৰ উইকেট ৰক্ষক জেমি স্মিথ আৰু হেৰি ব্ৰুকছৰ যুঁটীয়ে ষষ্ঠ উইকেটৰ যুঁটীত অভিলেখ সংখ্যক ৩০৩ ৰান যোগ দি দলটোক ফ'ল' অনৰ পৰা ৰক্ষা কৰে। স্মিথে অপৰাজিত ১৮৪ ৰান সংগ্ৰহ কৰে। হেৰি ব্ৰুকছ ১৫৮ ৰানত আউট হয়। ভাৰতৰ হৈ মহম্মদ ছিৰাজে ৬টা আৰু আকাশদীপে ৪টা উইকেট দখল কৰে। দ্বিতীয় ইনিংছত ভাৰতে য়সশ্বী জয়ছোৱালৰ উইকেট হেৰুৱাইছে। কে এল ৰাহুলে ২৮ ৰান আৰু কৰুণ নায়াৰে ৭ ৰান কৰি বেট ধৰি আছে।

০০০০০

মহিলাৰ পাঁচখনীয়া টি টুৱেন্টি ক্ৰিকেট শৃংখলাৰ তৃতীয়খন মেচত কালি নিশা লণ্ডনৰ অ'ভেলত আয়োজক ইংলেণ্ডে ভাৰতক ৫ ৰাণত পৰাস্ত কৰে। খেলখনত ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৫টা উইকেট হেৰুৱাই ১৬৬ ৰান কৰিবলৈ সমৰ্থ হয়। প্ৰথমে বেট ধৰি ইংলেণ্ডে ৯ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত ২০ অভাৰত ১৭১ ৰাণ সংগ্ৰহ কৰিছিল। ছফিয়া ডাংকলীয়ে ৫৩টা বলত ৭৫ ৰাণ আৰু ৱায়াট হজে ৪২ টা বলত ৬৬ ৰান সংগ্ৰহ কৰে। আয়োজক দলটোৰ হৈ ল'ৰেণ ফিলাৰে দুটা উইকেট দখল কৰে। ভাৰতৰ হৈ স্মৃতি মান্ধানাই ৪৯টা বলত ৫৬ৰাণ সংগ্ৰহ কৰে। অৰুন্ধতী ৰেডডী আৰু দীপ্তি শৰ্মাই ৩টাকৈ উইকেট দখল কৰে। ছফিয়া ডাংকলীক শ্ৰেষ্ঠ খেলুৱৈৰ সন্মান প্ৰদান কৰা হয়।

০০০০০

সমাপ্ত